# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

ষষ্ঠীত প্ৰতিষ্ঠা কৰা শক্তিৰূপিনী দেৱী দুৰ্গাক আজি বিজয়া দশমীত যথাবিহিত ৰীতি-নীতিৰে বিসৰ্জন দিয়া হৈছে। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

প্ৰতিকুল বতৰৰ মাজতে **গুৱাহাটী** মহানগৰীৰ পাঁচটাকৈ ঘাটত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি লাচিত ঘাট, পাণ্ডু ঘাট, চুণচালিকে ধৰি পাঁচটা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘব কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে লাচিত ঘাট আৰু পাণ্ডু ঘাটত আজি আৰু কাইলৈ প্ৰতিমাসমূহ বিসৰ্জন দিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**কাছাৰ** জিলাতো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্ব অব্যাহত আছে। শিলচৰৰ সদৰঘাট বিসৰ্জনস্থলীত বৰাক নৈত পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হৈছে। ইয়াৰ আগেয়ে মহিলাসকলে পৰস্পৰক মিঠাই খুৱাই সেন্দূৰ খেলি স্বামীৰ দীৰ্ঘায়ু কামনা কৰে। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ এহেজাৰ ৫৯২ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**গোৱালপাৰা** জিলাৰ ৩৬ খন পূজা সমিতিয়ে চহৰখনৰ কাছাৰীঘাটত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম-মেঘালয় সীমান্তৱৰ্তী মেঘালয়ৰ অৰ্ধশতাধিক পূজা মণ্ডপত বিজয়া দশমী উদযাপন কৰা হয়। প্ৰতিখন পূজা মণ্ডপত বিবাহিতা মহিলাসকলৰ মাজত পৰম্পৰাগত সেন্দূৰ খেলাৰ আয়োজন কৰা হয়। সেন্দূৰ খেলাৰ অন্তত যথাবিহিত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়। উল্লেখযোগ্য যে জিলাখনৰ মুঠ ৪২ খন পূজাৰ প্ৰতিমাসহ মেঘালয়ৰ হেলিডেগঞ্জ আৰু ফুলবাৰী এলেকাৰ অৰ্ধশতাধিক প্ৰতিমা ছটাকৈ ঘাটত বিসৰ্জন দিয়া হ'ব।

**দৰং** জিলাত আজি দিনৰ ১২ বজাত বিসৰ্জন পৰ্ব আৰম্ভ হয়। এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আৰক্ষী, এছ ডি আৰ এফ আৰু অন্যান্য বিভাগৰ কৰ্মীসকলক সষ্টম কৰি ৰখা হৈছে।

**ধুবুৰী** জিলাৰ তিনিটা ঘাটত বৈদিক নীতি-নিয়মেৰে দেৱী বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

ooooo

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন কৰা হৈছে। বিশেষ তদন্তকাৰী গোটে পূৰ্বে চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰ গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১০৫ আৰু ১০৬ ধাৰা সংযোজন কৰিছিল। দুই প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছত বিশেষ তদন্তকাৰী গোটে ১০৩ ধাৰা সংযোজন কৰে। আইনজ্ঞৰ মতে এই ধাৰাত যিকোনো অভিযুক্ত লোক দোষী সাব্যস্ত হ'লে যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰে দণ্ডিত হ'ব পাৰে। ইপিনে এছ আই টিয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জেৰা অব্যাহত ৰাখিছে। সিদ্ধাৰ্থ শৰ্মাৰ পৰা তদন্তকাৰী গোটে জুবিন গাৰ্গৰ মোবাইল আৰু এটা বেগ জব্দ কৰিছে। এই বেগটোৰ পৰা কেতবোৰ টেবলেট

আৰু নথিপত্ৰ উদ্ধাৰ কৰা হৈছে। এই টেবলেটসমূহ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি আৰক্ষীৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ মাজতে তদন্তকাৰী গোটে আজি পুনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গ আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। গুৱাহাটীৰ উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত মুখ্য তদন্তকাৰী বিষয়া ৰ'জী কলিতাই ঘটনা সন্দৰ্ভত তিনিওকে জেৰা কৰে।

ছিংগাপুৰত সম্পন্ন হোৱা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰয়াত শিল্পীগৰাকীৰ পৰিয়ালক অৰ্পণ কৰা হ'ব বুলি আজি বিশেষ তদন্তকাৰী গোটৰ মুৰববী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই মন্তব্য কৰে। ছিংগাপুৰৰ নিজা নিয়ম অনুসৰি এই পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহয় বুলি তেওঁ কয়। ছিংগাপুৰ কৰ্তৃপক্ষই সমগ্ৰ বিষয়টোক লৈ শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰিছে বুলিও তেওঁ কয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এতিয়ালৈ আহি পোৱা নাই বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

প্ৰাণৰ শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ তদন্তৰ বাবে অসম আৰক্ষীৰ দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি তেওঁ মন্তব্য কৰে। ছিংগাপুৰ প্ৰশাসনৰ পৰা অনুমতি লাভ কৰাৰ পাছতে আৰক্ষীৰ দলটো অসমৰ পৰা ছিংগাপুৰলৈ ৰাওনা হ'ব বুলি তেওঁ কয়।

00000

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়।

সত্ৰপীঠ মাজুলীত গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰ আৰু নামঘৰসমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভাসমূহৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী পালন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সত্ৰতো আজি ৫৭৭ সংখ্যক জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।

সত্ৰ নগৰী বৰপেটাৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ সত্ৰ-নামঘৰ আদিত মহাপুৰুষ জনাৰ জয়ন্তী উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰে।

কামৰূপ জিলাৰ শুৱালকুছিত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৭ সংখ্যক জয়ন্তী উৎসৱ পালন কৰা হয়। ঊষা কীৰ্তনৰ পাছত আইসকলৰ নাম প্ৰসংগ, মহাপুৰুষীয়া ধৰ্মালোচনা সভা আৰু ধৰ্মধ্বজা উত্তোলন কৰি জয়ন্তীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত হৰিনাম কীৰ্তন, পাঠপঢ়া, চৰিত তোলা আদি কাৰ্যসূচী অনুষ্ঠিত হয়। নিশাৰ ভাগত শ্ৰীমন্ত কৃষ্টি বিকাশ কেন্দ্ৰৰ শিল্পীসকলে মহাপুৰুষ জনাৰ ৰুক্মিনী হৰণ অংকীয়া নাট পৰিৱেশন কৰিব। কাইলৈ আইসকলৰ হৰিনাম সমদলৰ পাছত বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি আয়োজকৰ সূত্ৰই প্ৰকাশ কৰিছে।

**গোৱালপাৰা** জিলাৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ আৰু বগুৱানৰ হাটী সত্ৰত ৫ দিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জয়ন্তী অনুষ্ঠিত হয়।

00000

সমাপ্ত